# মন কী বাত

দ্বিতীয় খণ্ড



# মন কী বাত

## দ্বিতীয় খণ্ড

**Authors**
Sharda Mohan and Shashi Mukherjee

**Illustrations and Cover Art**
Dilip Kadam

**Assistant Artist**
Ravindra Mokate

**Production**
Amar Chitra Katha

**Published by**
Amar Chitra Katha Pvt. Ltd

Assamese

ISBN – 978-81-19242-60-3

Amar Chitra Katha Pvt. Ltd, June 2023

© Ministry of Culture, Govt of India, June 2023
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.

You can now get ACK stories as part of your classroom with **ACK Learn**, a unique learning platform that brings these stories to your school with a range of workshops. Find out more at **www.acklearn.com** or write to us at **acklearn@ack-media.com**.



কোভিড-১৯ ৰ সময়চোৱা আমি অতি বেয়া পৰিস্থিতিৰ মাজেৰে পাৰ হ'বলগীয়া হ'ল। এই দীঘলীয়া কালচোৱাত আমাক সকলোকে ঘৰৰ ভিতৰতে থাকিবলৈ বাধ্য কৰোৱা হৈছিল।

আমাৰ মাজৰে কিছুসংখ্যক লোকৰ বাবে এই সময়চোৱা আছিল ভাললগা বিধৰ, কিয়নো সেই সময়ত আমি আমাৰ অভিভাৱক, ভাই-ভনী আৰু আমাৰ সৈতে বসবাস কৰা লোকসকলক সমীপতে পাইছিলোঁ। পিছে আন বহুতৰে বাবে আকৌ এয়া অতি দুৰূহ কাল আছিল। কিদৰে আমি প্ৰতিটো দিন ইমান ওচৰা-ওচৰিকৈ বাস কৰিব পাৰোঁ?

দুৰ্ভাগ্যক্ৰমে সেই সময়ত আমি এই অনুভৱ কৰিলোঁ যে, যিবোৰ পৰম্পৰাই আমাক আগতে এটা পৰিয়াল হিচাপে বান্ধি ৰাখিছিল, সেয়া অৱহেলিত হ'বলৈ লৈছিল। এই পৰম্পৰাবোৰৰ অবিহনে কিছুমান পৰিয়ালে মিলিজুলি বাস কৰাৰ সুখকণ অনুভৱ কৰিবলৈ টান পাইছিল।

সাধু বা কাহিনী কোৱাৰ পৰম্পৰা হ'ল আমাক এটি পৰিয়ালৰূপে একগোট কৰি ৰখাৰ এটি উল্লেখযোগ্য গুৰুত্বপূৰ্ণ লোকাচাৰ। আগতে এটা পৰিয়ালৰ বয়োজ্যেষ্ঠসকলে ল'ৰা-ছোৱালীবোৰক কাহিনী শুনাইছিল। ফলত পৰিয়ালটোত আনন্দ, শক্তি আৰু একতাৰ ভাৱৰ সঞ্চাৰ হৈছিল।

গল্পবোৰ সৃজনশীলতা আৰু সংবেদনশীলতাৰ প্ৰকাশক। য'ত আত্মা আছে তাত কাহিনী আছে। যেতিয়া মই সৰু আছিলোঁ, তেতিয়া ভাৰতৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিছিলোঁ, গাঁৱৰ পিছত গাঁও ভ্ৰমি ফুৰিছিলোঁ। গাঁৱৰ ল'ৰা-ছোৱালীসকলৰ লগত মত-বিনিময় কৰাটো মই সদায়েই ইয়াৰ এক অংশ কৰি পেলাইছিলোঁ। তেওঁলোকক প্ৰায়ে মই একো-একোটা কাহিনী ক'বলৈ কৈছিলোঁ।

তেওঁলোকে উত্তৰ দিছিল, "নাই খুড়া, আমি তোমাক কৌতুক এটা ক'ম আৰু তাৰ পিছত তুমি আমাক এটা কৌতুক ক'বা।" মই আচৰিত হৈ পৰিছিলোঁ - যে এই ল'ৰা-ছোৱালীবোৰে কাহিনী শুনাৰ আনন্দৰ বিষয়ে জনাই নাছিল! ভাৰতবৰ্ষত সাধু কোৱাৰ পৰম্পৰা প্ৰাচীন কালৰ পৰাই চলি আহিছে। সেয়া পঞ্চতন্ত্ৰৰ সাধুয়েই হওক, হিতোপদেশৰ কাহিনীয়েই হওক কম্বা কিষা গৈ* য়েই হওক। কিছুমান কাহিনীত জীৱ-জন্তু আৰু চৰাই চিৰিকটিয়ে জ্ঞান প্ৰদান কৰিছিল আৰু ধৰ্মীয় কাহিনীবোৰে মূল্যবোধৰ শিক্ষা দিছিল।

আজি এনে বহুতো ব্যক্তি আছে যিয়ে নিজাকৈ গল্প কোৱাৰ মঞ্চ আৰম্ভ কৰিছে। অমৰ ব্যাস আৰু তেওঁৰ বন্ধুসকলে Gaathastroy.in আৰম্ভ কৰিছে। বৈশালী ব্যাভৰে দেশপাণ্ডে গাঁৱৰ লোক আৰু কৃষকৰ বিষয়ে থকা কাহিনীসমূহক জনপ্ৰিয় কৰি তুলিছে। বেংগালুৰুৰ বিক্ৰম শ্ৰীধৰৰ বাপু^ৰ কাহিনী কোৱাত বিশেষ ৰাপ আছে। Kathalaya.org ৰ অন্তৰালত থকা চেন্নাইৰ শ্ৰীবিদ্যা বীৰৰাঘৱন আৰু গীতা ৰামানুজম হৈছে একো একোজন উত্তম গল্পকওতা আৰু এখেতসকলৰ বিষয়ে ভালদৰে জনাটো বাঞ্চনীয়।

আমি নায়াৰ ছাৰৰ লগত তেখেতৰ বিদ্যালয়ত যোগ দিওঁ আহক, তেখেতে মোৰ অনুষ্ঠান মন কী বাত (মনৰ কথা) অনুষ্ঠানৰ পৰা বিভিন্ন ধৰণৰ সাধু-কওতা আৰু আন আন প্ৰেৰণাদায়ক লোকৰ বিষয়ে আমাক ক'ব।



# সূচীপত্ৰ


| | | |
|---|---|---|
| ১ | কাহিনী সম্পৰ্কে | ৩ |
| ২ | বীৰেন্দ্ৰ যাদৱ | ৭ |
| ৩ | ঊষা ডুবে | ১০ |
| ৪ | টি. শ্ৰীনিৱাসাচাৰ্য্য | ১৩ |
| ৫ | অনুদীপ আৰু মিনুষা | ১৫ |
| ৬ | চালমান | ১৮ |
| ৭ | এন. এচ. ৰাজাপ্পন | ২০ |
| ৮ | চি. ভি. ৰাজু | ২৩ |
| ৯ | ভাগীৰথী আম্মা | ২৬ |
| ১০ | ৰাজেন্দ্ৰ যাদৱ | ২৮ |
| ১১ | গায়ত্ৰী | ৩০ |

# কাহিনী সম্পৰ্কে


গৰমৰ বন্ধ শেষ হ'লত ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ আহিল
হেৰা ইকবাল! মোলৈ ৰ'বা।
ও, শ্ৰেয়ষ। তোমাক দেখি ভাল লাগিল।
সুপ্ৰভাত নায়াৰ ছাৰ!
সুপ্ৰভাত, শ্ৰদ্ধা। হেৰা ল'ৰাহত! সচৰাচৰৰ দৰে তোমালোকক মই শেষৰ পিৰিয়ডত লগ পাম।
বহুতো সাধুকথাৰ কুঁকিৰ সতে নিশ্চয়?
হাঃ হাঃ হাঃ! ওঁ বহুতো সাধুকথাৰ সৈতে।
নায়াৰ ছাৰ সকলোৰে প্ৰিয় আছিল। কিয়নো তেওঁ সিঁহতক প্ৰধান মন্ত্ৰীৰ ৰেডিঅ' অনুষ্ঠান মন কী বাতৰ পৰা বহুতো ভাললগা কাহিনী কৈছিল।
শেষৰ পিৰিয়ডত নায়াৰ ছাৰে এটি হাহিঁ মাৰি সোমাই আহিল।
নায়াৰ ছাৰ, আজি কিহৰ বিষয়ে ক'ব?
আজিৰ কাহিনীটো হৈছে কাহিনীৰ বিষয়ে।
সেয়া কিদৰে হ'ব পাৰে?


নায়াৰ ছাৰে সকলোকে বহিবলৈ দি নিজৰ আসনত বহিল।
মহামাৰীৰ লকডাউনৰ সময়ত এবাৰ আমাৰ প্ৰধানমন্ত্ৰীয়ে বাংগালোৰৰ এদল সাধু-কওতাৰ বিষয়ে কৈছিল। তেওঁলোক বাংগালোৰ কাহিনী-কওতা সমাজ নামৰ এটা দলৰ সদস্য আছিল।
তেওঁলোক আছিল অপৰ্ণা অথৰেয়া, শৈলজা সম্পথ, সৌম্য শ্ৰীনিৰাস, অপৰ্ণা জয়শংকৰ আৰু লাৱণ্য প্ৰসাদ। তেওঁলোক প্ৰতিজনেই একো একোজন পেছাদাৰী লোক আছিল আৰু তেওঁলোকৰ সাধু কোৱা সম্পৰ্কে এটা বিশেষ ৰাপ আছিল।
দৰাচলতে, লাৱণ্য প্ৰসাদে জেষ্ঠ লোকসকলৰ সতে বহি তেওঁলোকৰ কাহিনীবোৰ পৰিয়ালবোৰ হকে লিপিবদ্ধ কৰিছিল!
এৰা, মোৰ ককাদেউতাই মোক ভাৰতৰ স্বাধীনতাৰ দিনটোৰ কথা কৈছিল। তেখেত তেতিয়া সৰু আছিল, কিন্তু তেখেতৰ এতিয়াও ট্ৰামত উঠি মুম্বাইলৈ যোৱাৰ কথাটো মনত আছে। সকলো বাহন সেইদিনটোৰ বাবে বিনামূলীয়া কৰা হৈছিল।
মোৰ ককা সেনাত আছিল। তেখেতে ভাগ লোৱা ভাৰত-চীন যুদ্ধ সম্পৰ্কে তেওঁ মোক বিভিন্ন কাহিনী কৈছিল।
ময়ো মোৰ পৰিয়ালৰ কাহিনীবোৰ বিচাৰি উলিয়াম।
সেইটো এটা বঢ়িয়া আইডিয়া। আমি আমাৰ পৰিয়ালৰ জেষ্ঠ্যসকলৰ পৰা আমাৰ নিজৰ নিজৰ পৰিয়ালৰ কাহিনী সমূহ সংগ্ৰহ কৰি ইয়াত শ্ৰেণীকোঠাত সেয়া ব্যক্ত কৰোঁহক আহা। মই আজি তোমালোকক মন কী বাত অনুষ্ঠানত সিদিনা এজনে পৰিবেশন কৰা কাহিনী এটি ক'ম।
হয়, হয়। কাহিনীটো শুনোঁহক।


ৰজা কৃষ্ণদেৱ ৰয় বিৰক্ত হৈ আছিল।
সেই একেইসোপা পাচলি! জাতিলাও, ৰঙালাও, আলু! এইবোৰ দেখি দেখি মই অতিস্থঃ হৈ পৰিছোঁ। ৰান্ধনিজনক বেলেগ কিবা ৰান্ধিবলৈ কোৱা, নহলে তেওঁক ফাঁচী দিয়া হ'ব।
অঃ!
বেচেৰা ৰান্ধনিজন ৰজাৰ উপদেষ্টা তেনালি ৰামনৰ ওচৰলৈ ল'ৰি গ'ল আৰু নিজৰ সমস্যাৰ কথা ক'লে।
মহাৰাজে মই ৰন্ধা একোকেই পচন্দ কৰা নাই। তেখেতে কৈছে যে তেওঁ মোক ফাঁচীকাঠত ওলোমাব।
চুঃ! দুখ কৰিবলৈ এৰা, শুনা – মোৰ এটা আচনি আছে।
পৰৱৰ্তী দিনা দুপৰীয়াৰ খাদ্যগ্ৰহণৰ সময়ত –
এয়া যদি ভাল নহয় তেনেহলে...
ওমম! সুস্বাদু!
এই উত্তম পাচলিবিধনো কি?
মহাৰাজ, এয়া বেঙেনা। ই আপোনাৰ লেখীয়াকৈ ৰাজমুকুট আৰু বেঙুনীয়া বস্ত্ৰ পৰিধান কৰিছে!
তেনেহলে সিদ্ধান্ত লোৱা হ'ল যে আজিৰ পৰা এই দেশৰ সকলোৱে কেৱল ৰাজকীয় বেঙেনাহে খাব। এয়া ঘোষণা কৰি দিয়া হওক।
হেঁ!
আচনিটোৱে কাম দিছে!


গাড়ীৰে বোজা দি দি ৰাজ্যলৈ বৃহৎ পৰিমানৰ বেঙেনা অনা হ'ল আৰু আন সকলো ৰকমৰ পাচলি নাইকিয়া হৈ পৰিল।
ৰাজপ্ৰাসাদ আৰু আন সকলো ঘৰতেই বিভিন্ন প্ৰকাৰে বেঙেনা ৰন্ধা হ'ল।
আজি মই বেঙেনাৰ চাম্বৰ ৰান্ধিছোঁ। কাইলৈ, বেঙেনা ভৰ্তা আৰু পৰহীলৈ বেঙেনাৰ লাড়ু কৰিবলৈ চেষ্টা কৰিম।
অতি উত্তম!
কিন্তু, অতি সোনকালে –
মহাৰাজ, এয়া বেঙেনাৰ ৰাইতা আনিছোঁ।
সুস্বাদু বেঙেনাৰ বিৰি...
যথেষ্ট হৈছে! আৰু বেঙেনা নানিবা! মোৰ ৰাজ্যৰ পৰা বেঙেনা বহিষ্কাৰ কৰা হওক!
পিছত –
মোৰ আগৰ পাচলিবোৰ আকৌ উভতি আহিল। আপোনাৰ বাবেই এয়া সম্ভৱ হ'ল। আপোনাৰ আচনিটো নিঁখুত আছিল।
হাঃ হাঃ! যদি মই মোৰ ৰজাক সন্তুষ্টই কৰিব নোৱাৰোঁ তেনেহলে মই কি ধৰণৰ মন্ত্ৰী হলোঁ বাৰু ?




*শষ্য চপোৱাৰ পিছত ৰৈ যোৱা গছৰ অৱশিষ্ট অংশ




*এনে এটা যন্ত্ৰ যিয়ে খেৰবোৰক সংকুচিত কৰি সৰু সৰু মোটৰীলৈ ৰূপান্তৰিত কৰে।

^কৃষি বা জীৱ-জন্তুৰ আৱৰ্জনা ব্যৱহাৰ কৰি উৎপন্ন কৰা শক্তি

**এনে কাৰখানা যিয়ে কৃষিৰ কাম-কাজৰ মাজেৰে বৈদ্যুতিক শক্তি উৎপন্ন কৰে।


পৰৱৰ্তী কেইটামান বছৰত আৰু অধিক খেতিয়কে বীৰেন্দ্রৰ প্রচেষ্টাত সহযোগ কৰিলে।
মই এখন কৃষি-সমাজ আৰম্ভ কৰিবলৈ লৈছো। আমি সকলো ইয়াৰ অংশ হ’ব পাৰিম। ইয়াৰ জড়িয়তে আমি চৰকাৰৰ পৰা কৃষিত ব্যৱহৃত সামগ্রীসমূহ ৰেহাই মূল্যতে লাভ কৰিম।
অচিৰেই তেওঁ আন এখন সমাজ গঠন কৰি কৃষি আৰু কৃষক উন্নয়ন বিভাগৰ পৰা ৮০ শতাংশ অৰ্থ-সাহায্য লাভ কৰিলে। কম খৰচ মানেই হ’ল অধিক মুনাফা।
এই প্রচেষ্টাৰ সফলতাৰ বাতৰি শীঘ্রেই সমগ্র ৰাজ্যতে বিয়পি পৰিল।
নমস্কাৰ, মই সুজন সিং, কৈথালৰ উপায়ুক্ত। আপোনাৰ উত্তম কৰ্মৰ বাবে অভিনন্দন জনাইছোঁ।
বোপা, কৃষি বিভাগৰ উপ-সঞ্চালকে অলপ আগতে ফোন কৰি তোমাৰ কৰ্মৰ প্রশংসা কৰিলে।
গ্রীষ্মকালি যেতিয়া নৰাবোৰ সাজু কৰিবৰ হয়, বীৰেন্দ্র যাদৱে ২০০তকৈও অধিক মানুহক তাত সহায় কৰিবলৈ নিয়োগ কৰে।
মই তোমাক লৈ গৰ্ব কৰোঁ বোপা। তুমি আৱৰ্জনাক ধনলৈ পৰিবৰ্তিত কৰিলা।
মোৰ এইটো ভাবি বেছি ভাল লাগিছে যে নৰা জ্বলোৱা সমস্যাটোৰ সমাধান হ’ল। অৱশেষত বায়ুমণ্ডল পৰিষ্কাৰ যেন অনুভৱ হৈছে।
হয়, তোমাৰ মাৰাৰ স্বাস্থ্যও ভালৰ পিনে আহিছে।
বীৰেন্দ্র যাদৱৰ কাহিনীটো কওঁতে প্রধানমন্ত্রীয়ে উল্লেখ কৰিছিল যে নৰাৰ দৰে সমস্যাসৃষ্টিকাৰী আৱৰ্জনাক উপযোগী শক্তি আৰু এটা লাভজনক ব্যৱসায়লৈ ৰূপান্তৰিত কৰা ধৰণটো অনুকৰণীয়।



ঊষা ডুবে
গৰমৰ এটি দিনত দিল্লীত -
উঃ ... এনে এটি দিনত বিদ্যালয়লৈ অহাটো বৰ টান কাম।
ঠিকেই, অনলাইন ক্লাছবোৰেই ভাল আছিল।
অনলাইন ক্লাছ চলি থাকোতে তুমি তাৰ বিষয়েও আপত্তি কৰিছিলা।
অনলাইন ক্লাছবোৰ তোমালোকৰ বাবে নিশ্চয় ভাল আছিল। পিছে কেবাশ শিশুয়ে যাতনা ভুগিব লগা হৈছিল। আজি শেষৰ পিৰিয়ডত মই তোমালোকক “কিতাবৱালী দীদী”ৰ কথা ক'ম।
সুন্দৰ, এটা মন কী বাতৰ কাহিনী !
যেতিয়া কোভিড ১৯ৰ সময়ত লকডাউন দিয়া হৈছিল, তেতিয়া মধ্য প্ৰদেশৰ চিংগ্ৰাউলিৰ শিক্ষয়ত্ৰী ঊষা ডুবেৰ চিন্তা হ'ল।
অনলাইন ক্লাছ? এনে শ্ৰেণীত যোগ দিবলৈ আমাৰ শিশুসকলৰ কোনো আহিলা নাই। তেওঁলোকে কি দৰে শিক্ষা গ্ৰহণ কৰিব?
তেখেতৰ উদ্বেগ তেখেতৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো দেখা গ'ল।
তোমাৰ ক্লাছবোৰ কেনেদৰে পাৰ হৈছে, মহিমা?
বাইদেউ, মই মন দিবলৈ চেষ্টা কৰিছোঁ কিন্তু অনলাই ক্লাছবোৰ বুজিবলৈ টান। তদুপৰি সকলো ঘৰতে থকা বাবে মই অন্যমনস্কও হৈ পৰোঁ।


উষাৰ ছাত্ৰী মহিমা সিঙৰ সতে হোৱা আলোচনাই এটা সুন্দৰ পৰিকল্পনাৰ জন্ম দিলে।
মহিমা, যদি শিশুসকল বিদ্যালয়লৈ যাব নোৱাৰে, তেন্তে বিদ্যালয়ক তেওঁলোকৰ কাষলৈ লৈ যাওঁহক আহা।
আপুনি কি বুজাব বিচাৰিছে, বাইদেউ?
স্কুটাৰখনৰ সহায়ত তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটি ভ্ৰাম্যমান পুথিভঁৰালৰ সাজিলে।
এইটো অতি সুন্দৰ আইডিয়া!
উষা আৰু মহিমাই গাঁৱে গাঁৱে গৈ পুথিভঁৰাল সাজি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰিলে।
মোক এই কিতাপখন দিয়াৰ বাবে ধন্যবাদ বাইদেউ
খাদ্য কিদৰে পাচনতন্ত্ৰত হজম হয় বুজিব তুমি পাৰিছানে?
হয়! এইটো যোৱা সপ্তাহত আমাৰ অনলাইন ক্লাছত শিকাইছিল, কিন্তু ইণ্টাৰনেটৰ সমস্যাৰ বাবে মই ইয়াৰ প্ৰায়খিনিয়েই শুনিবলৈ নাপালোঁ।
মহিমা বাইদেউ, এই সমাধানটো কৰোতে ঠিক হৈছেনে?
পাৰিছা তুমি, বঢ়িয়া!













*হিন্দীত কিতাপৰ বাইদেউ

^সাহসক চালাম




*ধৰ্মীয় গুৰু বা শিক্ষকৰ সন্মানৰ অৰ্থে ব্যৱহাৰ কৰা উপাধি

^পবিত্ৰ শব্দ বা বাক্যাংশ

**উপাসনা

^^ মন্দিৰৰ দৈনিক বিধি সমূহৰ ওপৰত ৰচিত এখন কিতাপ




*তামিল ভাষাত দেউতা

^তামিল ভাষাত ককাদেউতা

# অনুদীপ আৰু মিনুষা



আজি শ্ৰেণীকোঠাটো পৰিষ্কাৰ যেন লগা নাই। আনকি কৰিড'ৰবোৰো লেতেৰা হৈ আছে।
চাফাই কৰা দুয়োগৰাকী মহিলাৰেই গা বেয়া, ছাৰ। তেওঁলোক যোৱা দুদিন ধৰি অহা নাই।
আমি শ্ৰেণীকোঠাটো পৰিষ্কাৰ কৰিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু ইমান ডাঙৰ বিদ্যালয়খন আমি কেনেদৰে চাফা কৰিব পাৰোঁ?
তোমালোকে সকলোৱে লগ লৈ প্ৰতিদিনে অলপ অলপ চাফাই কৰিলে গোটেই বিদ্যালয়খনৰ চাফাই সম্ভৱ। অনুদীপ আৰু মিনুষাৰ কাহিনীটো কওঁ শুনা – তেওঁলোকে এখন সম্পূৰ্ণ সাগৰ-তীৰ পৰিষ্কাৰ কৰিছিল। আমাৰ প্ৰধানমন্ত্ৰীয়েও এই কাহিনীটো প্ৰেৰণাদায়ক হিচাপে লৈছিল।
২০২০ৰ নৱেম্বৰ মাহত, কৰ্ণাটকৰ বিন্দুৰত কেইজনমান ঘনিষ্ঠ আত্মীয়ৰ উপস্থিতিত অনুদীপ হেগড়ে আৰু মিনুষা কাঞ্চনৰ বিবাহ সম্পন্ন হৈছিল।
সদায় সুখী হোৱা।
কোভিড-১৯ থকা স্বত্বেও এয়া খুব সুন্দৰ হৈছে।
সোনকালেই –
মই ভাবিছিলোঁ আমি মধুচন্দ্ৰিকাৰ বাবে লক্ষদ্বীপলৈ যাম।
মই হিমাচললৈ যাব বিচাৰিছিলোঁ। কিন্তু সকলোতে কোভিড হৈছে, ভ্ৰমণ কৰাতো বিপদজনক হ'ব।
কলৈকো যাব নোৱাৰি দম্পতীহালে ওচৰৰে সোমেশ্বৰ সাগৰ-তীৰতেই আবেলিবোৰ কটালে।
মোৰ ইয়াত ভাল লাগিছে।
হয়, সূৰ্য্য আৰু বালিচৰ, লকডাউনটো ইমানো বেয়া হোৱা নাই।




*নাগৰিক সকলৰ দ্বাৰা আৰম্ভ কৰা এটি চাফাই অভিযান – কৰ্ণাটকৰ কুন্দাপুৰৰ কেইজনমান বন্ধুৱে ইয়াক আৰম্ভ কৰিছিল। এতিয়া বহুতে স্বেচ্ছাসেৱকে দেওবাৰবোৰত এই প্ৰজেক্টটোত অংশ লয়।


কিছুদিন পিছত –
বেয়া নহয়। চোৱা আমি তীৰৰ এটা ডাঙৰ অংশ পৰিষ্কাৰ কৰি পেলালোঁ।
সঁচাকৈয়ে। কিন্তু যদি আন আন লোকেও এই কামত অংশ ললেহেঁতেন।
মোৰ এটা বুধি আছে।
অনুদীপে তেওঁলোকৰ পদক্ষেপটোৰ বিষয়ে চচিয়েল মিডিয়াত পোষ্ট কৰিলে।
সোনকালেই –
মই মঞ্জুনাথ।
মই হাচান। আমি তোমালোকৰ চাফাই অভিযানত অংশ লবলৈ আহিছোঁ।
বঢ়িয়া!
সোনকালেই আৰু বহুতো স্বেচ্ছাসেৱকে তেওঁলোকৰ সতে যোগ দিলে।
একেলগে তেওঁলোকে সাগৰ-তীৰৰ ৮০ শতাংশ পৰিষ্কাৰ কৰিলে আৰু প্ৰায় ৮০০ কেজি আৱৰ্জনা সংগ্ৰহ কৰিলে।
চোৱা, সাগৰৰ তীৰখন কি সুন্দৰ লগা হৈছে।
ই নতুনকৈ উশাহ ল'বলৈ সক্ষম হৈছে।
কিছুদিন পিছত –
যদি সৰু চাফাই অভিযান এটাই ইমান লোকক আকৰ্ষিত কৰিব পাৰে তেনেহলে আমি ভালেসংখ্যক কাম কৰিব পাৰোঁ! আজি নিশা এটা মুভি নাইট কৰিলে কেনেকুৱা হয়? আমি পৰিষ্কাৰ-পৰিচন্নতাৰ বিষয়ে সজাগতা বৃদ্ধিৰ হকে সাগৰীয় জীৱনৰ ওপৰত কিছুমান তথ্যচিত্ৰ স্থানীয় মাছুৱৈসকলক দেখুৱাব পাৰোঁ।
নিশ্চয়! আমাৰ কাম ইয়াতেই শেষ নহয়। দৰাচলতে ই মাত্ৰ আৰম্ভহে হৈছে।
অনুদীপ আৰু মিনুষাই তেওঁলোকৰ ভাল কামবোৰ কৰি গৈ থাকিল।

# চালমান


ছাৰ, মোৰ খুড়াই এটি দুৰ্ঘটনাত এখন ভৰি হেৰুৱাইছিল। তেওঁ অলপতে কৃত্ৰিম ভৰি এখন লগালে। ভৰিখন দেখিবলৈ ধুনীয়া – ৰ'বটৰ ভৰিৰ দৰে। কিন্তু তেখেতে সেইখনৰ সহায়ত খোজ কাঢ়িবলৈ অসুবিধা পাইছে।
সুজিত তোমাৰ খুড়াৰ কেইদিনমান সময় লাগিব তাৰ পাছত তেওঁ অভ্যস্ত হৈ পৰিব।
মই কৃত্ৰিম ঠেঙৰ সহায়ত প্ৰতিযোগিতাত জয়লাভ কৰা এগৰাকী খেলুৱৈৰ কথা শুনিছিলোঁ।
সঁচা, পাৰুল। শাৰীৰিকভাৱে অক্ষম বহুতো খেলুৱৈয়ে বিভিন্ন ক্ষেত্ৰত বিৰাট বিৰাট সফলতা অৰ্জন কৰিছে। আমাৰ আজিৰ কাহিনীটো হৈছে চালমানৰ বিষয়ে, তেওঁ খোজকাঢ়িবলৈ অসমৰ্থ হোৱা স্বত্বেও এজন সফল উদ্যোগীৰূপে পৰিগণিত হৈছিল।
চালমানৰ জন্ম হৈছিল উত্তৰ প্ৰদেশৰ হিমীৰপুৰ গাওঁত। তেওঁ যেতিয়া একেবাৰে সৰু আছিল –
চালমানৰ খুব জ্বৰ উঠিছে, সি অনবৰতে কান্দি আছে।
তাক চিকিৎসালয়লৈ লৈ যাওঁ ব'লা।
সোনকালেই –
চালমানক পলিঅ'য়ে আক্ৰান্ত কৰিছে। তাৰ ভৰিদুখন দুৰ্বল হৈ পৰিছে। সময়ৰ সতে তাৰ মাংসপেশীবোৰৰ ওপৰত ই আৰু বেছি প্ৰভাৱ পেলাই তাৰ খোজকঢ়াত ব্যাঘাট জন্মাব পাৰে।
অঃ, সি এই পৃথিৱীত কিদৰে জীয়াই থাকিব?
চালমানৰ ভৰিকেইখন দুৰ্বল হোৱা স্বত্বেও তেওঁ এজন শক্তিশালী মানসিকতাৰ ব্যক্তি হিচাপে ডাঙৰ হ'ল। তেওঁ দ্বাদশ শ্ৰেণীৰ পৰীক্ষা সমাপ্ত কৰাৰ পিছত –
মই নিজকে সহায় কৰিব খোজো, মা। মই চৰকাৰী চাকৰিত আবেদন কৰিবলৈ আৰম্ভ কৰিম।


যিমানেই চেষ্টা নকৰক কিয়, তেওঁ চাকৰি এটা পাব নোৱাৰিলে। এদিন –
যদি কোনোৱে মোক নিয়োগ কৰিব নিবিচাৰে, তেনেহলে মই নিজৰ কোম্পেনী এটা আৰম্ভ কৰিম।
কেইটামান বছৰ চালমানে পাদুকা আৰু কাপোৰ ধোৱা চাবোন বনাবলৈ শিকিলে। আৰু এটা ঋণৰ সহায়ত টাৰ্গেট নামে এটা কোম্পেনী আৰম্ভ কৰিলে।
আহা, মই তোমাক পাদুকা কি দৰে বনায় দেখুৱাম।
কোম্পেনীটো জনাজাত হৈ পৰিল। এদিন –
মই দূৰ্ঘটনাত হাত এখন হেৰুওৱা বাবে কোনো চাকৰি পাব পৰা নাই। আপুনি মোক নিয়োগ কৰিবনে ?
তুমি ইয়াত কি কৰিব পাৰা চাও আহা। তোমাৰ আৰু মোৰ দৰে লোকে কাম কৰাৰ সমান অধিকাৰ পোৱা আৰু ভাল কৰা উচিত ।
পৰৱৰ্তী দুটা বছৰত চালমানে বহুতো শাৰিৰীকভাবে প্ৰত্যাহ্বানৰ পোৱা লোকক নিয়োগ কৰিলে।
বৰ্তমান ৩০ জন শাৰীৰিকভাবে অক্ষম লোকে আমাৰ সতে কাম কৰি আছে। এদিন আমি আৰু বহুতো তেনেলোকক কৰ্মসংস্থাপন দিব পাৰিম বুলি মই আশাবাদী।
চালমানৰ কাহিনীটো প্ৰধানমন্ত্ৰীৰ মন কী বাতৰ পৰা লোৱা।
চালমান ভাই, প্ৰধানমন্ত্ৰীয়ে তোমাৰ সাহসৰ কথা কোৱা শুনিবলৈ পাই নথৈ আনন্দিত হৈছোঁ।
আপুনি আমাৰ বাবে প্ৰেৰণাৰ শ্ৰোত। আমি সকলো আপোনাক লৈ গৌৰৱান্বিত।
ধন্যবাদ!




*কেৰেলাৰ এটা বিখ্যাত হ্ৰদ, আৰু এটা জনপ্ৰিয় পৰ্যটন স্থলী


ৰাজাপ্পনে নাওঁ বাবলৈ আৰম্ভ কৰোঁতেই –
প্লাষ্টিক মাছ? ময়ো চাব পাৰোনে, ৰাজাপ্পন?
নিশ্চয়, আহা।
সোনকালেই –
চোৱা, এইবোৰ হৈছে মোৰ দিনটোৰ চিকাৰ। আহা, প্লাষ্টিক। তোমালোকক ইয়াৰ পৰা তুলি নিওঁ।
অঁ, তেনেহলে এইবোৰেই প্লাষ্টিক মাছ?
কেইঘণ্টামানৰ পিছত –
হ্ৰদটো বৰ পৰিষ্কাৰ যেন লাগিছে। আপুনি বৰ সাহিয়াল, যদিও... যদিও...
...মোৰ ভৰি দুটাই মোৰ ভৰ বহন কৰিব নোৱাৰে? মোৰ বাবে নাওঁ বোৱা বেছি সহজ, সেয়ে মই ইয়াক এনেদৰেই ব্যৱহাৰত লগাইছোঁ। মই হ্ৰদৰ পৰা প্লাষ্টিক আঁতৰোৱাৰ লগতে ইয়াৰ পৰা ধনো উপাৰ্জন কৰিব পাৰোঁ।
দুপৰীয়া তেওঁলোকে খোৱাৰ বাবে এটা বিৰতি ল'লে।
আপুনি কিমান দিনৰ পৰা এয়া কৰি আছে? এই কাম কঠিন নহয়নে?
পাচবছৰ হৈ গ'ল, কিন্তু মোৰ কোনো অভিযোগ নাই। এই হ্ৰদটোৱেই মোৰ ঘৰ, মই ইয়াক পৰিষ্কাৰ-পৰিচ্ছন্ন দেখি সন্তুষ্টি লাভ কৰোঁ।
এখেত কিমান নিঃস্বাৰ্থ ।


কেবাঘণ্টাৰ চাফাইৰ পিছত ৰাজাপ্পনে নাওঁখন পাৰত বান্ধিলে।
এতিয়া আপুনি কি কৰিব?
মই প্লাষ্টিকবোৰ বিধে বিধে ভাগ কৰিম আৰু ই যাতে পুনৰ পানীত নপৰেগৈ তাক নিশ্চিত কৰিম। তুমি মোৰ সতে সহযোগ কৰিব বিচৰা নেকি?
নিশ্চয়।


কিছুবেলি পিছত –
ৰাজাপ্পন মহাশয়, মই কাইলৈ আৰু পৰহিলৈও আপোনাৰ সতে প্লাষ্টিক সংগ্ৰহত অংশ ল'ব পাৰোনে?
নিশ্চয়, বাচা। দুয়ো মিলি ইয়াত আমি এক ভাল প্ৰভেদ আনিব পাৰিম।


প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতত ৰাজাপ্পনৰ কথা উল্লেখ কৰে আৰু প্লাষ্টিক প্ৰদূষণৰ পৰা পানীক ৰক্ষা কৰাৰ তেখেতৰ অক্লান্ত প্ৰচেষ্টাৰ প্ৰশংসা কৰে। সোনকালেই –
ৰাজাপ্পন, আপোনাৰ বাবে এটা উপহাৰ আছে।


মহাশয়, আমাৰ সম্প্ৰদায়ৰ বাবে কৰা কৰ্মৰ শলাগ লৈ আমি আপোনাক নতুন যন্ত্ৰচালিত নাওখন আৰু এই হুইলচেয়াৰখন উপহাৰ দিব বিচাৰিছোঁ।
তেখেতৰ নতুন যন্ত্ৰচালিত নাওখনৰ সহায়ত ৰাজাপ্পনে কেৱল ভেম্বানাদ হ্ৰদেই নহয় চৌপাশৰ আন আন জলাশয়বোৰৰো চাফাই কাৰ্য্য অব্যাহত ৰাখে।

# চি. ভি. ৰাজু




*অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনম জিলাত অৱস্থিত


কিন্তু যেতিয়া ৰাজু মহাবিদ্যালয়লৈ গ'ল আৰু উভতি আহিল, বস্তুবোৰ সলনি হৈ হ'ল।
শিশুসকলে কিয় প্লাষ্টিকৰ খেলনাৰে খেলিছে?
সেইবোৰ কম খৰচতে সাজিব পাৰি। আমাৰ কলা-কুশলীসকল কৰ্মৰ সন্ধানত চহৰমুখী হৈছে।
এটিকোপ্পাকা পুতলাৰ সতে খেলি ডাঙৰ হোৱা ৰাজুৰ ভিতৰত থকা উজ্বল চকুৰ সেই ল'ৰাজনে এই কাৰ্য্যৰ প্ৰতিবাদ কৰিলে। ই তেওঁক কিবা এটা কৰিবলৈ উৎসাহিত কৰিলে।
তেওঁ কলা-কুশলীসকৰ বাবে 'পদ্মাৱতী এচ'চিয়েটচ্' নামে এখন সমবায় সমিতি স্থাপন কৰিলে।
এই পূৰণি শিল্পটো হৈছে আমাৰ গাওঁৰ হৃদয়স্বৰূপ। আমি ইয়াত মৰি যাবলৈ দিম নে?
তেওঁলোকে গণ-উৎপাদিত পাতল কপিবোৰৰ সতে ফেৰ মাৰিব লাগিব কিন্তু ৰাজু আৰু তেওঁৰ কলা-কুশলীসকলে এই প্ৰত্যাহবানৰ মুখামুখী হ'বলৈ মনস্থঃ কৰিলে।
এনকুডু কাঠ কোমল, ইয়াক নভঙাকৈ বটালীৰে কাটি বিভিন্ন আকাৰ দিব পাৰি।
তেনেহলে আমি বন বিভাগৰ সতে এনকুডু কাঠৰ যোগানৰ বিষয়ে কথা পাতিম।
উৎপাদন বঢ়াৰ লগে লগে ৰাজুৱে পুতলাবোৰ গোটেই দেশৰ বাণিজ্য মেলা আৰু এক্সপ'বোৰলৈ নিলে।
মই বিশেষ সামগ্ৰীবোৰ আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানি কৰোঁ। মই বৃহৎ সংখ্যক পুতলা অৰ্ডাৰ কৰিবলৈ বিচাৰোঁ।
আমাৰ ডাঙৰ সফলতা ইয়াতেই!
কিন্তু তেওঁলোকৰ ফূৰ্তি ক্ষন্তেকীয়া আছিল। সোনকালেই বস্তুবোৰ ওভোটাই পঠিওৱা হ'ল।
তেওঁলোকে কৈছে যে ৰংবোৰত সীহ পোৰা গৈছে।
আধুনিক ৰংবোৰৰ সতে এয়াই সমস্যা।
পৰম্পৰাগত ৰঙলৈ উভটি যাবৰ সময় হ'ল।

# চি. ভি. ৰাজু




*এটা জিওগ্ৰাফিকেল আইডেন্টিফিকেচন (জি. আই.) টেগে এনে সামগ্ৰীক নিৰ্দেশ কৰে যিয়ে তাৰ নিৰ্মাণ-স্থানৰ মানদণ্ড বা খ্যাতি বহন কৰে

^চতুৰ্থ সৰ্বোচ্চ অসামৰিক বঁটা

# ভাগীৰথী আম্মা



এটা ভাল খবৰ আছে। অতি সোনকালে মোৰ উদ্ভিদ জীৱবিজ্ঞানৰ পৰীক্ষা সমাপ্ত হ'ব। গতিকে আমি যেতিয়া খোজকাঢ়িবলৈ যাম, মই তোমালোকক উদ্ভিদ আৰু গছবোৰৰ বিষয়ে শিকাব পাৰিম।
আপুনি এতিয়াও শিক্ষা গ্ৰহণ কৰি আছে, ছাৰ? ই কিদৰে সম্ভৱ?
মই জনা নাছিলোঁ যে ডাঙৰ মানুহেও অধ্যয়ন কৰিব পাৰে!
নিশ্চয় পাৰে, ডাঙৰ লোক সকলেও অধ্যয়ন কৰিব পাৰে। অলপতে মন কী বাতত শুনিবলৈ পাইছিলোঁ যে এগৰাকী ১০৫ বছৰীয়া লোকে অধ্যয়ন কৰিছিল আৰু পৰীক্ষা লিখিছিল।
সত্য কথা, শ্ৰদ্ধা। তেখেতৰ নাম হৈছে ভাগীৰথী আম্মা। বহি লোৱা, মই তোমালোকক তেওঁৰ কাহিনীটো ক'ম।
ভাগীৰথী আছিল কেৰেলাৰ প্ৰক্কুলম গাওঁৰ এজনী সৰু ছোৱালী। তেওঁ লিখা পঢ়া কৰিবলৈ ভাল পাইছিল। কিন্তু তেওঁৰ বয়স যেতিয়া আঠ বছৰ হয় –
তুমি বিদ্যালয়লৈ নাহা নেকি, ভাগীৰথী?
মোৰ অধ্যয়ন কৰিবলৈ মন।
নাই। তাইৰ মাক ঢুকাল যেতিয়া তাই এতিয়া ঘৰখনক আৰু তাইৰ ভাই-ভনীসকলক চাব লাগিব।
ভাগীৰথীয়ে পুনৰ কেতিয়াও বিদ্যালয়লৈ যাব নোৱাৰিলে। পিছত তেওঁৰ বিয়া হ'ল আৰু তেওঁৰ নিজৰ ছয়টা সন্তান হ'ল । তাৰ পিছত তেওঁৰ গিৰিয়েকৰ মৃত্যু হয়।
মই কাৰো শিক্ষাত ব্যাঘাত জন্মিবলৈ নিদিওঁ। তোমালোক সকলোৰে ভালদৰে অধ্যয়ন কৰাটো বিচাৰোঁ মই।
আম্মা, আমি ভালদৰে পঢ়িম আৰু তোমাক গৌৰবান্বিত কৰি তুলিম।
তেওঁৰ সন্তানসকল যেতিয়া ডাঙৰ হৈ আহিল –
মই এই কিতাপখন পঢ়িব পাৰোঁনে? মই যদি কিবা বুজি নাপাও তোমালোকে সহায় কৰিবানে?
নিশ্চয়, আম্মা।
আম্মা, প্ৰথম এইখন কিতাপ পঢ়া। এইখন বৰ মনোগ্ৰাহী।


ভাগীৰথী আম্মাৰ অধ্যয়নৰ বাসনা অপূৰ্ণ হৈয়েই ৰয়। ২০১৯ চনত, যেতিয়া তেওঁ ১০৫ বছৰীয়া হ'ল –
চোৱা আম্মাম্মা*, কেৰেলা ৰাজ্যিক সাক্ষৰতা মিছনে প্ৰাপ্তবয়স্কসকলৰ বাবে, যিয়ে তেওঁলোকৰ শিক্ষা সাং কৰিব নোৱাৰিলে, এক চতুৰ্থ বৰ্গৰ সমকক্ষ প্ৰগ্ৰেম আগবঢ়াইছে।
মই এতিয়াও অধ্যয়ন কৰিব পাৰিম? এয়াই মোৰ সুযোগ।
বয়স হোৱা স্বত্বেও ভাগীৰথী আম্মাই কোৰ্চটো ল'বলৈ ঠিক কৰিলে।
মোৰ বহুত পঢ়িবলৈ আছে। মই ভাল কৰিব লাগিব।
আপুনি নিশ্চয় ভাল কৰিব আম্মাম্মা। আমি সকলো আপোনাৰ হকে আছোঁ।
কেবামাহৰ কঠোৰ পৰিশ্ৰমৰ পিছত ভাগীৰথী আম্মাই গণিত, মালায়ালম আৰু পৰিবেশ বিজ্ঞানৰ পৰীক্ষাত অৱতীৰ্ণ হ'ল।
সোনকালেই –
আম্মাম্মা, আপুনি কৰি দেখুৱালে! আপুনি ২৭৫ৰ ভিতৰত ২০৫ নম্বৰ লাভ কৰিছে!
চোৱা, মই কৈছিলোঁ নহয়।মই বুঢ়ী হ'ব পাৰোঁ কিন্তু শিক্ষাৰ প্ৰতি মোৰ আকৰ্ষণ এতিয়াও ডেকা হৈয়েই আছে।
২০১৯ত, উল্লেখযোগ্য কৃতিত্বৰ বাবে ভাগীৰথী আম্মাক ভাৰতৰ নাৰীসকলৰ সৰ্বোচ্চ অসামৰিক সন্মান-নাৰী শক্তি পুৰস্কাৰ, প্ৰদান কৰা হয়।
মন কী বাত
যদি আমি জীৱনত আগবাঢ়িব বিচাৰো, তেন্তে আমি নিজকে বিকশিত কৰা উচিত। যদি আমি জীৱনত কিবা এটা লাভ কৰিব বিচাৰো তেন্তে প্ৰথম পূৰ্ব-চৰ্ত হ'ল আমাৰ ভিতৰৰ ছাত্ৰজনে কেতিয়াও মৃত্যুবৰণ কৰিব নালাগে।

*মালায়ালমত আইতা

# ৰাজেন্দ্ৰ যাদৱ



কভিডৰ পৰা আৰু ডাঙৰ ভাবুকি নাই বুলি তোমালোক আনন্দিত নহয়নে?
হয়, চাৰ! যিসকলে আমাক সুৰক্ষিত কৰি ৰাখিবলৈ কাম কৰিলে তেওঁলোকলৈ ধন্যবাদ।
একেবাৰে সঁচা। এই ৰোগ বিয়পাত বাধা দিবলৈ কাৰ্য্য কৰা চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলৰ ওচৰত আমি বহুত ঋণী। তোমালোকক আজি ৰাজেন্দ্ৰ যাদৱৰ কাহিনী ক'ম, যিয়ে সেই সময়ত ভাল কাৰ্য্য কৰিছিল।
এইটো এটা মন কী বাতৰ কাহিনী নেকি?
নায়াৰ চাৰে হাঁহিলে আৰু মূৰ দুপিয়ালে।
২০২২ চনত, মহাৰাষ্ট্ৰৰ চান্টানাত এজন ৬২ বছৰীয়া বৃদ্ধলোকে হতাশাৰে বাতৰি চাই আছিল।
... কোভিড ১৯ ৰ শেহতীয়া ঢৌত নাসিক ৰেড-জ'নত পৰিছে।
মোৰ চহৰখনলৈ বিপদ নামিছে।
তেখেত হ'ল ৰাজেন্দ্ৰ যাদৱ, এজন স্ব-শিক্ষিত অভিযন্তা, তেখেতৰ কৃষি সজুলি তৈয়াৰ কৰাৰ ক্ষেত্ৰত বহুবছৰৰ অভিজ্ঞতা আছে।
হাত ধুবলৈ আৰু মাস্ক পৰিধান কৰিবলৈ নাপাহৰিব!
সৰু-পৰিসৰৰ চেনিটাইজেচন যথেষ্ট নহয়। এই ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিবলৈ আমাক এটা বৃহৎ পৰিসৰৰ কিবা এটাৰ প্ৰয়োজন হ'ব।

## ৰাজেন্দ্ৰ যাদৱ




*এনআইএফ হৈছে এটা সংস্থা যি তৃণমূল পৰ্যায়ৰ কাৰিকৰী উদ্ভাৱনসমূহক সমৰ্থন আৰু সহায় কৰে।




*ইনফৰমেশ্বন টেকন'লজি




*গায়ত্ৰীৰ দেউতাক, কাশীলিংগম্ আছিল এজন মেকানিকেল অভিযন্তা।


আমি চকাবোৰ বীৰৰ কবচটোৰ সতে ষ্ট্ৰেপৰ সহায়ত লগাই দিব পাৰোঁ। কিন্তু সেই পিভিচি পাইপডাল কিহৰ বাবে?
মই এই পাইপডালেৰে কৃত্ৰিম কাপ-ঠেং নিৰ্মাণ কৰিছোঁ, ই বীৰক খোজকঢ়া বা দৌৰাত সহায়ক হ'ব।
বঢ়িয়া! মই ইয়াৰ দেহত লাগি থকা অংশত একোটা পেডিং লগাই দিম যাতে ই বীৰৰ বাবে আৰামদায়ক হয়।
অচিৰেই –
কুকুৰৰ গাড়ীখন পৰীক্ষা কৰাৰ সময় পালেহি। লৰচৰ নকৰিবি, বীৰ!
মাত্ৰ কেইদিন মানৰ চেষ্টাৰ পিছতেই –
চোৱা বীৰে খোজকাঢ়িছে!
সি সুকলমে দৌৰিছে।
ই এটা উৎসাহী জীৱ দেই।
ধন্যবাদ! ই এটা দীঘলীয়া পৰিক্ৰমাৰ মাজেৰে আহিছে!
গায়ত্ৰীয়ে আশা কৰে যাতে তেওঁলোকৰ প্ৰচেষ্টাই আন আন লোককো অক্ষমতা থকা জীৱজন্তুক তুলি লৈ সিঁহতৰ জীৱনৰ মানদণ্ড উন্নত কৰাৰ উপায় বিচাৰি উলিয়াবলৈ প্ৰেৰণা দিয়ে।



# মন কী বাত

## দ্বিতীয় খণ্ড

মন কী বাতৰ দ্বিতীয় খণ্ডত একতা -শক্তিৰ উৎযাপন অব্যাহত আছে।

তেখেতৰ ৰেডিঅ' অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ জীৱনেৰে অভূতপূৰ্ব কৰ্ম সম্পাদন কৰা কেইবাজনো পুৰুষ-মহিলাৰ অৱদানৰ ওপৰত আলোকপাত কৰিছে।

এইবোৰ বাস্তৱ জীৱনৰ নায়কৰ কাহিনী।

সৰুতে ভাই-ভনীক চোৱাচিতা কৰিবলৈ স্কুলৰ পৰা টানি অনা ভগীৰথী আম্মাই আজো-আইতা হৈ পঢ়া-শুনা কৰে আৰু ১০৫ বছৰ বয়সত চতুৰ্থ মানৰ পৰীক্ষাত উত্তীৰ্ণ হয়। এন.এচ. ৰাজাপ্পনে পাঁচ বছৰ বয়সত পলিঅ'ৰ দ্বাৰা আক্ৰান্ত হৈ ৬৩ বছৰ বয়সত অসতৰ্ক পৰ্যটকৰ দ্বাৰা আৱৰ্জনা পেষ্টিক বটল আৰু পেকেটৰ পৰা ভেম্বানাদ হ্ৰদ পৰিষ্কাৰ কৰাৰ দায়িত্ব লয়।

উষা ডুবেই, কোভিড লকডাউনৰ সময়ত উপলব্ধি কৰিছিল যে দৰিদ্ৰ ঘৰৰ ল'ৰা-ছোৱালীৰ বাবে অনলাইন ক্লাছ সম্ভৱ নহয়। গতিকে, তেওঁ স্কুটাৰেৰে শ্ৰেণীকোঠাটোকে তেওঁলোকৰ ওচৰলৈ লৈ গ'ল।

কোনো এটা প্ৰভেদ আনিবলৈ ডাঙৰ ধন বা পদবীৰ প্ৰয়োজন নহয়। আৰু এই বীৰসকলে তাকেই প্ৰমাণ কৰে।



₹90

www.amarchitrakatha.com
ISBN 978-81-19242-60-3
9 788119 242603